## সংক্ষিপ্তসাৰ আৰু গৱেষণা পত্ৰ প্ৰেৰণ কৰা নিয়মাৱলী ঃ

- গৱেষণা পত্ৰৰ সংক্ষিপ্তসাৰ আৰু মূলপত্ৰখন পেজমেকাৰ ৬.৫ অথবা ৭.০ ৰামধেনু ছফ্‌টওৱেৰৰ দ্বাৰা লিখি (অসমীয়া লিপি গীতাঞ্জলি) আৰু ইংৰাজীৰ Times New Roman ত পি.ডি.এফ. নকৰাকৈ তলত উল্লেখ কৰা ই-মেইল যোগে জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।
- গৱেষণা পত্ৰখন লিখিত প্ৰতিলিপি আৰু চি.ডি. সহকাৰে জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।
- গৱেষণা পত্ৰৰ মাধ্যম অসমীয়া/ইংৰাজী হ'ব।
- অংশগ্ৰহণকাৰীসকলৰ নাম, পদবী, অনুসন্ধেত (E-mail ID), ভ্ৰাম্যভাষ গৱেষণা পত্ৰখনত স্পষ্ট কৰি দিব লাগিব।
- গৱেষণা পত্ৰৰ শেষ টোকা, প্ৰসংগ আৰু গ্ৰন্থপঞ্জীৰ ক্ষেত্ৰত এম.এল.এ ৰ নিয়ম অনুসৰি জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।

### পঞ্জীয়ন মাচুল -

| | |
|---|---|
| গৱেষণা পত্ৰ সহ অংশগ্ৰহণ | ঃ ১০০০.০০ টকা |
| গৱেষণা পত্ৰ সহ অংশগ্ৰহণ (গৱেষক ছাত্ৰ-ছাত্ৰীৰ বাবে) | ঃ ৮০০.০০ টকা |
| গৱেষণা পত্ৰ অবিহনে অংশগ্ৰহণ | ঃ ৫০০.০০ টকা |

পঞ্জীয়ন মাচুল পোনপটীয়াকৈ নাইবা ড্ৰাফট যোগে (In favour of Registrar, Kumar Bhaskar Varma Sanskrit and Ancient Studies University, Nalbari) জমা দিব লাগিব।

### যোগাযোগৰ ঠিকনা ঃ

**অনুসন্ধেত** ঃ seminar.assamese2017@gmail.com
**ভ্ৰাম্যভাষ** ঃ ৯৫৭৭২৮২৯৭৫, ৯১২৬১১৬৮৯৫, ৯৮৫৯৮৫৭৭৭৮
**বিশ্ববিদ্যালয় ৱেবচাইট** ঃ www.kbvsasun.ac.in

| সমন্বয়ক | ড° হেমেন্দ্ৰ শৰ্মা | সংযোজক |
|---|---|---|
| ড° ৰাতুল বুজৰ বৰুৱা | পঞ্জীয়ক তথা সভাপতি | ড° কমল লোচন আত্ৰেয় |
| (৯৮৬৪২ ৫৬৯৬১) | | (৯৮৫৪৬ ২৬২৭৩) |
| অংকুমণি দাস | | ৰুমী কাকতি |

ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰৰ আয়োজক সমিতি

### গুৰুত্বপূৰ্ণ তাৰিখ ঃ

গৱেষণা পত্ৰৰ সংক্ষিপ্তসাৰ পঠিওৱাৰ শেষ তাৰিখ ঃ ১২ জুন, ২০১৭ খ্ৰীষ্টাব্দ
নিৰ্বাচিত সংক্ষিপ্তসাৰৰ তালিকা প্ৰকাশ ঃ ১৫ জুন, ২০১৭ খ্ৰীষ্টাব্দ

# ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰ

## বিষয় ঃ

## অসমীয়া ব্যঙ্গ্য সাহিত্য ঃ গতি, প্ৰকৃতি আৰু বিৱৰ্তন

আয়োজক

**কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়**
**নলবাৰী**

**তাৰিখ ঃ ২৪ আৰু ২৫ জুন, ২০১৭ খ্ৰীষ্টাব্দ**

Kumar Bhaskar Varma Sanskrit and Ancient Studies University
Nalbari :: Assam :: 2011

সহযোগ

**অসম সাহিত্য সভা**

অসম সাহিত্য সভা

## বিশ্ববিদ্যালয় সম্পৰ্কত দু-আষাৰ -

নলবাৰী জিলাত অৱস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ে অসম চৰকাৰৰ অধীনত ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে ২০১১ চনত প্ৰতিষ্ঠা লাভ কৰে। কামৰূপৰ প্ৰসিদ্ধ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ সুকীৰ্তিৰ প্ৰতি শ্ৰদ্ধা জনাই এই বিশ্ববিদ্যালয়ৰ নামকৰণ কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰা হৈছে প্ৰসিদ্ধ সংস্কৃত কবি কালিদাসৰ এটি বিখ্যাত পংক্তি - "সৰস্বতী শ্ৰুতিমহতাং মহীয়তাম্"। সংস্কৃত (দুটা বিভাগ), শিক্ষা, অসমীয়া, দৰ্শন আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ জৰিয়তে বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীক পাঠদানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি সংস্কৃত বিভাগৰ পাঁচ বছৰীয়া সংহত পাঠ্যক্ৰম বিশ্ববিদ্যালয়খনৰ এক অভিনৱ সংযোজন।

## বিশ্ববিদ্যালয়খনৰ অৱস্থিতি ঃ

বিশ্ববিদ্যালয়খন নলবাৰী জিলাৰ নমাটি অঞ্চলত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ৩.৩ কিলোমিটাৰ আঁতৰত অৱস্থিত। ইয়াৰ নিচেই ওচৰত অৱস্থিত বিমানবন্দৰটো হৈছে গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ। আকৌ ৰেলসেৱাৰ বাবে ইয়াৰ নিচেই ওচৰত থকা ৰেল আস্থান হৈছে নলবাৰী ৰেল আস্থান আৰু বিশ্ববিদ্যালয়ৰ পৰা ইয়াৰ দূৰত্ব ৫ কিলোমিটাৰ।




## আলোচনা চক্ৰ সম্পৰ্কীয় তথ্যাৱলী -

অতি আনন্দৰ কথা, অসম সাহিত্য সভাৰ শতবৰ্ষ উৎসৱৰ অংশ হিচাপে ২৪, ২৫ জুন, ২০১৭ খ্ৰীষ্টাব্দত দুদিনীয়াকৈ নলবাৰী চহৰত হাস্য-ব্যঙ্গ্য সাহিত্য সন্মিলন অনুষ্ঠিত হ'ব। ইয়াৰে সৈতে সঙ্গতি ৰাখি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ত অসমীয়া ব্যঙ্গ্য সাহিত্যক মূল বিষয় হিচাপে লৈ এখনি দুদিনীয়া আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে।

ব্যঙ্গ্য সাহিত্য পাশ্চাত্য প্ৰভাৱৰে ফল। ব্যঙ্গ্য শব্দটো বুজাবলৈ ইংৰাজী সাহিত্যত '*Satire*' শব্দৰ ব্যৱহাৰ কৰা হয়। সমাজ বা ব্যক্তিৰ কোনো দোষ বা অসাংস্কৃতিক দিশ উদঙাই দি তেনে ভণ্ডামি, কুসংস্কাৰ আদিক সাহিত্যৰ মাধ্যমেৰে সমাধান কৰিবলৈ যাওঁতে সৃষ্টি হৈছে ব্যঙ্গ্য সাহিত্য। হাস্যৰসৰ চলেৰে সমাজত ঘটি থকা অনৈতিক, অসামাজিক কাম-কাজ, যুক্তিহীন কথা-কাম, যিবোৰে সমাজৰ প্ৰগতিত অন্তৰায়ৰ সৃষ্টি কৰে, তেনেবোৰ সামাজিক কেৰোণক বাধা দিবলৈ বা নিঃশেষ কৰিবলৈ তাৰ বিৰুদ্ধে তীব্ৰ বাক্যবাণ নিক্ষেপ কৰি যি সাহিত্য সৃষ্টি হয় সেয়াই ব্যঙ্গ্য সাহিত্য। অসমীয়া সাহিত্য ক্ষেত্ৰখনক বিষয়বস্তু, ভাষা, ৰচনাৰীতিৰ ফালৰ পৰা মূলতঃ আদি যুগ (দশমৰ পৰা চতুৰ্দশ শতিকা), মধ্য যুগ (চতুৰ্দশৰ পৰা ঊনবিংশ শতিকাৰ আদিভাগলৈ) আৰু বৰ্তমান যুগ (ঊনবিংশ শতিকাৰ পৰা বৰ্তমানলৈ) - এই তিনিটা ভাগত ভাগ কৰিব পাৰি। ঘাইকৈ ঊনবিংশ শতিকাৰ পৰাই অসমীয়া সাহিত্যত ব্যঙ্গ্য সাহিত্যৰ ধাৰাটি প্ৰৱাহিত হয়। অৱশ্যে মধ্য যুগৰ সাহিত্যতো ব্যঙ্গ্যৰ আভাস পোৱা যায় নেকি তাক আলোচনা কৰাৰ থল আছে। সাহিত্যৰ বিভিন্ন উপাদান, যেনে কবিতা, গল্প, নাটক, উপন্যাসৰ মাজেৰে এই ব্যঙ্গৰ পৰিচয় পোৱা যায়। বিভিন্ন সময়ত সৃষ্টি হোৱা সাহিত্যৰ বিভিন্ন উপাদানৰ মাজেৰে ব্যঙ্গ কিদৰে প্ৰকাশ পাইছে তাক বিশ্লেষণ কৰাটো আমাৰ আলোচনা চক্ৰৰ অন্যতম উদ্দেশ্য।

**আলোচনা চক্ৰৰ মূল বিষয় -**

**অসমীয়া ব্যঙ্গ্য সাহিত্য ঃ গতি, প্ৰকৃতি আৰু বিবৰ্তন**

**আলোচনা চক্ৰৰ তাৰিখ - ২৪, ২৫ জুন, ২০১৭ খ্ৰীষ্টাব্দ**

**উপবিষয় সমূহ ঃ**

- মধ্যযুগীয় অসমীয়া সাহিত্য আৰু ব্যঙ্গ
- অসমীয়া ব্যঙ্গ্য সাহিত্য আৰু অৰুণোদয় যুগ
- অসমীয় ব্যঙ্গ্য সাহিত্য আৰু আৱাহন যুগ
- অসমীয়া ব্যঙ্গ্য সাহিত্য আৰু ৰামধেনু যুগ
- অসমীয়া ব্যঙ্গ্য সাহিত্য আৰু সাম্প্ৰতিক যুগ
- সংবাদ পত্ৰ, আলোচনী আৰু ব্যঙ্গ
- মূল বিষয়ৰ লগত সঙ্গতি থকা যিকোনো বিষয়